# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-09-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। বিদেশ মন্ত্ৰী এছ্ জয়শংকৰ ভাৰত-উপ সাগৰীয় সহযোগিতা পৰিষদৰ বিদেশমন্ত্ৰীসকলৰ প্ৰথমখন বৈঠকত ভাগ লোৱাৰ উদ্দেশ্যে আজি চৌদি আৰবৰ ৰিয়াধলৈ ৰাওনা হ'ব।

২। আবু ধাবিৰ যুৱৰাজ শ্বেইখ খালিদ বিন মহম্মদ বিন জায়দ অল নাহ্য়ান আজি চৰকাৰী ভ্ৰমণসূচীৰে ভাৰত পাবহি।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু মধ্য প্ৰদেশত অহা ৭ দিনলৈ ধাৰাসাৰ বৰষুণ হ'ব বুলি আগলি বতৰা দিছে।

৪। পেৰিছ্ পেৰালিম্পিকৰ দশম দিনা ভাৰতে কালি আৰু দুটা পদক অৰ্জন কৰে।

*আৰু*

৫। বেলাৰুচৰ এৰিনা চাবালেংকাই প্ৰথমবাৰৰ বাবে ইউ এছ্ অপেন টেনিছ্ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ দখল কৰিছে।

০০০০০

বিদেশ মন্ত্ৰী এছ্ জয়শংকৰ ভাৰত-উপ সাগৰীয় সহযোগিতা পৰিষদৰ বিদেশমন্ত্ৰীসকলৰ প্ৰথমখন বৈঠকত ভাগ লোৱাৰ উদ্দেশ্যে আজি চৌদি আৰবৰ ৰিয়াধলৈ ৰাওনা হ'ব। এই দুদিনীয়া ভ্ৰমণকালত তেওঁ উপসাগৰীয় সহযোগিতা পৰিষদৰ সদস্য ৰাষ্ট্ৰসমূহৰ বিদেশমন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰো সম্ভাৱনা আছে। উপসাগৰীয় সহযোগিতা পৰিষদে সামৰি লোৱা অঞ্চলটো ভাৰতৰ প্ৰধান ব্যৱসায়িক অংশীদাৰ হোৱাৰ লগতে এটা অঞ্চলটোত প্ৰায় ৮৯ লাখ ভাৰতীয়ই বাস কৰে। বিদেশ মন্ত্ৰীৰ বৈঠক হৈছে ভাৰত আৰু উপসাগৰীয় সহযোগিতা পৰিষদৰ মাজত বিভিন্ন ক্ষেত্ৰত আনুষ্ঠানিক সহযোগিতাৰ পৰ্যালোচনা তথা সম্পৰ্ক দৃঢ় কৰাৰ এটা সুযোগ। এই ভ্ৰমণকালৰ দ্বিতীয় পৰ্যায়ত শ্ৰীজয়শংকৰে মঙলবাৰৰ পৰা দুদিনীয়া ভ্ৰমণসূচীৰে জাৰ্মানীৰ বাৰ্লিনলৈ যাব। এয়া হ'ব তেওঁৰ তৃতীয়টো বাৰ্লিন ভ্ৰমণ। উল্লেখযোগ্য যে, জাৰ্মানী ভাৰতৰ প্ৰধান ব্যৱসায়িক অংশীদাৰ হোৱাৰ লগতে বৃহত্তম প্ৰত্যক্ষ বিদেশী বিনিয়োগকাৰীসকলৰ ভিতৰত অন্যতম। এই ভ্ৰমণকালত শ্ৰীজয়শংকৰে জাৰ্মানীৰ বিদেশমন্ত্ৰীৰ লগতে আন মন্ত্ৰীসকলক সাক্ষাৎ কৰি দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ সামগ্ৰিক দিশসমূহৰ বিষয়ে আলোচনা কৰিব। ড° জয়শংকৰে ১২ ছেপ্তেম্বৰত চৰকাৰী ভ্ৰমণসূচীৰে ছুইজাৰলেণ্ডৰ জেনেভালৈ যাব। জেনেভাত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু ৰাষ্ট্ৰসংঘৰ বিভিন্ন সংস্থাৰ কাৰ্যালয় আছে। এই ভ্ৰমণকালত বিদেশ মন্ত্ৰীগৰাকীয়ে ভাৰত সক্ৰিয়ভাৱে জড়িত হৈ থকা আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ মুৰব্বী আৰু প্ৰতিনিধিসকলক সাক্ষাৎ

কৰিব। তেওঁ দেশ দুখনৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰাৰ লগতে দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ অন্বেষন কৰাৰ বাবে দেশখনৰ বিদেশমন্ত্ৰীৰ সৈতেও বৈঠকত মিলিত হ'ব।

ooooo

আবু ধাবিৰ যুৱৰাজ শ্বেইখ খালিদ বিন মহম্মদ বিন জায়দ অল নাহ্য়ান আজি চৰকাৰী ভ্ৰমণসূচীৰে ভাৰত পাবহি। শ্বেইখ খালিদৰ সৈতে মন্ত্ৰী, জ্যেষ্ঠ বিষয়া, আগশাৰীৰ ব্যৱসায়ী আৰু ইউ এ ইৰ অৰ্থনৈতিক অংশীদাৰৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলো ভাৰতলৈ আহিব। ভ্ৰমণ কালত অভ্যাগত যুৱৰাজগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। তেওঁ লগতে জ্যেষ্ঠ বিষয়াসকলৰ সৈতেও আলোচনাত মিলিত হোৱাৰ কথা আছে। এই আলোচনাৰ জৰিয়তে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক ক্ষেত্ৰসমূহত সহযোগিতা বৃদ্ধিৰ লগতে দুয়োখন দেশৰ জনসাধাৰণৰ পাৰস্পৰিক লাভালাভৰ বাবে ইতিমধ্যে উপনীত হোৱা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিসমূহ আগবঢ়াই নিয়াৰ সুযোগৰ অন্বেষণ কৰা হ'ব। উচ্চ পৰ্যায়ৰ বৈঠকসমূহৰ উপৰি শ্বেইখ খালিদে দুয়ো দেশৰ মাজৰ শক্তিশালী, অৰ্থনৈতিক আৰু সাংস্কৃতিক এনাজৰীৰ ওপৰত আলোকপাত কৰা ভালেমান কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীসমূহৰ জৰিয়তে ভাৰত আৰু ইউ এ ইৰ মাজত বিভিন্ন ক্ষেত্ৰৰ সমন্বয়ত আলোকপাত কৰা হ'ব। অৰ্থনীতি আৰু বহনক্ষম উন্নয়ন, বিনিয়োগ, বাণিজ্য আৰু জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ভাৰত আৰু ইউ এ ইৰ মাজৰ বৰ্তমানৰ ইতিবাচক সহযোগিতা আন্তঃৰাষ্ট্ৰীয় আৰ্হি ৰূপে পৰিগণিত হৈছে। দুয়োখন দেশে দ্বিপাক্ষিক সম্পৰ্কৰ জৰিয়তে গোলকীয় সুস্থিৰতা আৰু শান্তিৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰি আহিছে।

যুৱৰাজগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব।

ooooo

কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় প্ৰশাসনিক সেৱাৰ জ্যেষ্ঠ বিষয়া তুহিন কান্ত পাণ্ডেক বিত্ত সচিব হিচাপে নিয়োগ কৰিছে। তুহিন কান্ত ভাৰতীয় প্ৰশাসনিক সেৱাৰ ১৯৮৭ ৰেটছৰ ওড়িযাৰ কেডাৰৰ বিষয়া। তেওঁ সম্প্ৰতি বিত্ত মন্ত্ৰালয়ৰ দুটা গুৰুত্বপূৰ্ণ বিভাগ-ৰাজহুৱা কোম্পানী বিভাগ আৰু বিনিয়োগ তথা ৰাজহুৱা সম্পত্তি ব্যৱস্থাপনা বিভাগৰ ভাৰপ্ৰাপ্ত সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

ooooo

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ, ২০২৫ৰ বাবে ১৫ ছেপ্তেম্বৰ মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰতি বছৰে জানুৱাৰীত এই বঁটাসমূহ প্ৰদান কৰে। এই বছৰৰ বঁটা প্ৰাপকসকলৰ নাম ২৬ ডিচেম্বৰত বীৰ বাল দিৱসৰ দিনা ঘোষণা কৰা হ'ব। শিশুসকলৰ সামৰ্থ, দৃঢ়তা, উৎসাহ-উদ্দীপনাৰ উদযাপন কল্পে এই বঁটা প্ৰদান কৰা হয়। ৰাষ্ট্ৰীয় পুৰস্কাৰৰ আনুষ্ঠানিক ৱেবছাইটৰ জৰিয়তে এই বঁটাৰ বাবে ৫ বছৰৰ উৰ্ধৰ আৰু ১৮ বছৰৰ তলৰ শিশুৰ নাম মনোনীত কৰিব পৰা যায়।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে য়ানাম আৰু অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চলত আজি প্ৰৱল বৰষুণৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। বিভাগটোৱে লগতে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু মধ্য প্ৰদেশত অহা ৭ দিনলৈ ধাৰাসাৰ বৰষুণ হ'ব বুলি প্ৰকাশ কৰিছে। বিভাগটোৱে অহা ৪-৫ দিনত কেৰালা, মাহে, অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চল য়ানম, কৰ্ণাটকৰ দক্ষিণ অংশ আৰু কৰ্ণাটকৰ উপকূলীয় অঞ্চলত প্ৰৱল বৰষুণৰ

হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। এই সপ্তাহটোত ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল দিল্লীকে ধৰি পশ্চিম আৰু মধ্য ভাৰতৰ বিভিন্ন অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগটোৱে প্ৰকাশ কৰিছে।

ooooo

ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰজিয়া মেলনিয়ে কৈছে যে, ইউক্ৰেইনৰ সংঘাত নিৰাময় কৰাত ভাৰত আৰু চীনৰ দৰে দেশে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদমীৰ পুটিনে এই সংঘাত নিৰাময়ৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ পাছতেই ইটালীৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। ইটালীৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি ইক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ সৈতে হোৱাৰ সাক্ষাতৰ পাছতেই এই মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা মাহত ইউক্ৰেইন ভ্ৰমণৰ সময়ত দেশখনৰ ৰাষ্ট্ৰপতি জেলেনস্কিক ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ সংঘাত নিৰাময়ৰ বাবে দেশদুখনে সময় নষ্ট নকৰাকৈ আলোচনাত মিলিত হ'ব লাগে বুলি উল্লেখ কৰাৰ লগতে অঞ্চলটোত শান্তি ৰক্ষাৰ বাবে ভাৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ সাজু আছে বুলি প্ৰকাশ কৰিছিল।

ooooo

পেৰিছ পেৰালিম্পিকৰ দশম দিনা ভাৰতে কালি আৰু দুটা পদক অৰ্জন কৰে। নৱ্‌দীপ সিঙে পুৰুষৰ জেভলিন থ্ৰ'ৰ এফ-41 শিতানত সোণৰ পদক অৰ্জন কৰে। এই শিতানত অনুচিত আচৰণৰ বাবে ইৰাণৰ খেলুৱৈগৰাকীক অযোগ্য ঘোষণা কৰাৰ পাছত নৱ্‌দীপে প্ৰথম স্থান লাভ কৰে। আনহাতে দৌৰবিদ চিমৰনে মহিলাৰ ২০০ মিটাৰ ট্ৰেক শিতানত ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰতে ৭টা সোণ, ৯টা ৰূপ আৰু ১৩টা ব্ৰঞ্জসহ মুঠ ২৯টা পদকেৰে প্ৰতিযোগিতাৰ পদক তালিকাৰ ষষ্ঠদশ স্থানত আছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ জেভলিন থ্ৰ'ৰ এফ-41 শিতানত সোণৰ পদক অৰ্জন কৰাৰ বাবে নৱ্‌দীপ সিঙক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যম যোগে খেলুৱৈগৰাকীয়ে দেশক গৌৰাৱান্বিত কৰা বুলি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কৈছে যে, নৱ্‌দীপে তেওঁৰ প্ৰদৰ্শন যথেষ্ট উন্নত কৰিছে আৰু তেওঁ যাত্ৰা অনুসৰণৰ কৰা ক্ৰীড়া প্ৰেমীসকললৈ আনন্দৰ বতৰা কঢ়িয়াই আনিছে।

ৰাষ্ট্ৰপতি মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ পেৰালিম্পিকৰ মহিলাৰ ২০০ মিটাৰ ট্ৰেক শিতানত ব্ৰঞ্জৰ পদক লাভ কৰা চিমৰণকো অভিনন্দন জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিয়ে সামাজিক মাধ্যমৰ এটা পোষ্টৰ যোগেদি কৈছে যে, চিমৰণৰ সাফল্যই উদীয়মান খেলুৱৈ বিশেষকৈ ছোৱালীসকলক অনুপ্ৰেৰণা যোগাব। চিমৰনে ভৱিষ্যতে দেশলৈ অধিক গৌৰৱ কঢ়িয়াই আনিবলৈ সমৰ্থ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কয় যে, চিমৰণ শৰ্মাৰ কঠোৰ পৰিশ্ৰম, সংকল্প আৰু দৃঢ়তাই খেলুৱৈগৰাকীক এই অতুলনীয় মাইলৰ খুঁটিত উপনীত হোৱাত সহায় কৰিছে। তেওঁ লগতে খেলুৱৈগৰাকীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ শুভেচ্ছা বাৰ্তাত কয় যে, চিমৰণ শৰ্মাৰ সাফল্যই ভালেমান লোকক অনুপ্ৰাণিত কৰিব। তেওঁ লগতে খেলুৱৈগৰাকীক উৎকৰ্ষ সাধনৰ প্ৰচেষ্টা আৰু অতুলনীয় দক্ষতাৰ ভূয়সী প্ৰশংসা কৰে।

ooooo

বেলাৰুচৰ এৰিনা চাবালেংকাই প্ৰথমবাৰৰ বাবে ইউ এছ্ অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ দখল কৰিছে। এৰিনাই যোৱানিশা অনুষ্ঠিত ফাইনেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ জেচিকা পেগুলাক ৭-৫, ৭-৫ ছেটত পৰাভূত কৰে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াৰ মেক্স পৰ্চেল আৰু জৰ্দান থ'মছনে জাৰ্মানীৰ কেৱিন, ক্ৰাৱিজ আৰু টিম প্যুজক পোনপটীয়া ছেটত পৰাস্ত কৰি পুৰুষৰ ডাবলছৰ খিতাপ হস্তগত কৰে। ইয়াৰ লগে লগে পৰ্চেল আৰু থ'মছন ১৯৯৬ চনৰ পাছত ইউ এছ্ অপেন টেনিছ প্ৰতিযোগিতাৰ খিতাপ দখল কৰা প্ৰথমটো অষ্ট্ৰেলিয়ান যুঁটিৰূপে পৰিগণিত হয়। ইয়াৰ পূৰ্বে ট'ড উদব্ৰীজ আৰু মাৰ্ক উদফ'ৰ্দে ১৯৯৬ চনত এই কৃতিত্ব অৰ্জন কৰিছিল।

প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ট্ৰেইলৰ ফ্ৰীজ, ইটালীৰ জানিক চীনৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ফ্ৰীজ প্ৰথমবাৰৰ বাবে কোনো গ্ৰেণ্ডশ্লেম প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে চীনৰে দ্বিতীয়তো গ্ৰেণ্ডশ্লেম অৰ্জনৰ বাবে চেষ্টা চলাব।

ooooo

**সমাপ্ত**